অধ্যায় ১০ ঃ শংকৰী যুগৰ বৈষ্ণৱ সাহিত্য — ১

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ শংকৰী যুগৰ সাহিত্য

১০.৩.১ পটভূমি

১০.৩.২ কাব্য

১০.৩.৩ অংকীয়া নাট

১০.৩.৪ বৰগীত

১০.৩.৫ শংকৰদেৱ

১০.৩.৬ মাধৱদেৱ

১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৫ অধিক জানিবলৈ

১০.৬ অগ্রগতিৰ খতিয়ান

১০.৭ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোনখিনি সময়ক শংকৰী যুগ বুলি কোৱা হয়, সেই সম্পর্কে অৱগত হ'ব
- শংকৰী যুগৰ সাহিত্যৰ লক্ষণ বা বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব
- শংকৰী যুগত কি কি প্রকাৰৰ সাহিত্য ৰচনা হৈছিল সেই সম্পর্কে জ্ঞাত হ'ব
- শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্যকৃতি সম্পর্কে অৱগত অৱগত হ'ব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি প্রাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা কৰিলোঁ। প্রাক্-শংকৰী যুগৰ পাছৰ যুগটোৱেই হৈছে শংকৰী যুগ। এই যুগত মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱে অসমত নৱ-বৈষ্ণৱ ধর্ম প্রচাৰ কৰিছিল। শংকৰদেৱে অসমত ধর্মপ্রচাৰৰ বাবে সাহিত্যকে মাধ্যম হিচাপে গ্রহণ কৰিছিল। আনকি ইয়াৰ বাবে তেওঁ গীত-নাট আদি পৰিৱেশ্য কলাকো ধর্ম প্রসাৰণৰ মাধ্যম কৰি তুলিছিল। ফলত শংকৰদেৱ আৰু তেওঁৰ অনুগামী শিষ্যসকলে অশেষ সাধনাৰ দ্বাৰা এই যুগত এক বিৰাট সাহিত্য-ভাণ্ডাৰ গঢ়ি তুলিছিল। শংকৰদেৱক কেন্দ্র কৰিয়েই

এই সাহিত্যৰাজিৰ সৃষ্টি হৈছিল বাবে যুগটোৰ নামকৰণ কৰা হৈছে 'নৱ-বৈষ্ণৱ যুগ' বা 'শংকৰী যুগ' বুলি। প্ৰণিধানযোগ্য যে শংকৰী যুগক অসমীয়া সাহিত্যৰ 'স্বৰ্ণযুগ' বুলিও অভিহিত কৰা হয়। শংকৰী যুগত মূলতঃ ধৰ্ম প্ৰচাৰৰ লগে লগে শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি কবিসকলে কাব্য, গীত, নাট আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰিলে। আনহাতে এই যুগতেই অসমীয়া গদ্য সাহিত্যৰ আৰম্ভ হয়।

এই অধ্যায়টোত শংকৰী যুগৰ সাহিত্যৰ পটভূমি, কি কি ধৰণৰ সাহিত্যৰ সৃষ্টি হৈছিল সেই বিষয়ে অৱগত কৰাৰ লগতে শঙ্কৰদেৱ, মাধৱদেৱৰ সাহিত্যকৃতি সম্পৰ্কেও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে।

১০.৩ শংকৰী যুগৰ সাহিত্য

শংকৰী যুগৰ সাহিত্যৰাজিক প্ৰধানতঃ দুটা প্ৰধান ভাগত ভগাব পাৰি, যথা — (ক) বৈষ্ণৱ সাহিত্য আৰু (খ) পাঁচালী সাহিত্য। এই দুয়োবিধ সাহিত্যৰে আদৰ্শ আছিল পৃথক পৃথক।

শংকৰী যুগত ৰচিত বৈষ্ণৱ সাহিত্যৰাজিৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা হৈছে বিষ্ণু বা শ্ৰীকৃষ্ণ। সেইবাবে এই যুগত ৰচিত বৈষ্ণৱ সাহিত্যসমূহত বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণৱ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। কবিসকলে বিভিন্ন কাহিনী বা আখ্যানৰ যোগেদি শ্ৰীকৃষ্ণ যে সকলো দেৱতাতকৈ শ্ৰেষ্ঠ সেইকথা প্ৰতিপন্ন কৰিছে। বৈষ্ণৱ সাহিত্যসমূহ আছিল নীতি বা আদৰ্শমূলক। 'ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়', 'দুষ্টক দমন শান্তক পালন' আদি আদৰ্শ কাহিনীসমূহৰ মাজেদি প্ৰকাশ পাইছে। তদুপৰি যিধৰণৰ কাহিনী বা ঘটনা নহওক, কাব্যৰ শেষত ভক্তিৰস সৃষ্টি কৰাটো বৈষ্ণৱ সাহিত্যৰ অন্যতম লক্ষণ।

আনহাতে পঞ্চদশ শতিকাৰ শেষভাগৰপৰা ষোড়শ শতিকাৰ আদি ভাগৰ ভিতৰত যিকেইগৰাকী বৈষ্ণৱ আদৰ্শ অনুসৰণ নকৰা কবিৰ আৱিৰ্ভাৱ হৈছিল তেওঁলোক আছিল সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাৰ উপাসক। তেওঁলোকৰ দ্বাৰা ৰচিত কাব্যত 'দেৱী মাহাত্ম্য' প্ৰকাশ পাইছে। এই শ্ৰেণী ৰচনাকে অসমীয়া সাহিত্যত 'মনসা সাহিত্য' বা 'পাঁচালী সাহিত্য' বুলি কোৱা হয়। বিষয়বস্তু অনুসৰি এই ৰচনাৰাজিক দুটা ভাগত ভাগ কৰা হৈছে। যথা— মনসা বা পদ্মাদেৱীৰ মাহাত্ম্য প্ৰকাশক আৰু আনটো *ৰামায়ণ, মহাভাৰত* আদিৰ কাহিনী সম্বলিত। দুয়োভাগ সাহিত্য ওজাপালি অনুষ্ঠানৰ উদ্দেশ্যে ৰচিত। সেইবাবে এইশ্ৰেণী কাব্যত ৰাগ-ৰাগিণীৰ উল্লেখ আছে। লৌকিকতা এই সাহিত্যৰাজিৰ প্ৰধান বিশেষত্ব। তেওঁলোকৰ ভাষা আছিল লোকভাষাৰ বেছি ওচৰ চপা। লোকমনোৰঞ্জনত অধিক গুৰুত্ব দিয়াৰ বাবে বহুসময়ত লঘু হাস্যোদ্দীপক চিত্ৰৰ প্ৰয়োগো লক্ষ্য কৰা যায়।

এই অধ্যায়টোৰ লগতে ইয়াৰ পৰৱৰ্তী অধ্যায়টোত আমি শংকৰী যুগৰ বৈষ্ণৱ সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰিম। দ্বাদশ অধ্যায়ত পাঁচালী সাহিত্যৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব।

১০.৩.১ পটভূমি

সৰ্ব ভাৰতত আৰম্ভ হোৱা ভক্তি জাগৰণৰ ফলস্বৰূপেই অসমতো নৱ-বৈষ্ণৱ জাগৰণৰ আৰম্ভ হয়। তাৰ আধাৰ হিচাপেই শংকৰদেৱক কেন্দ্ৰ হিচাপে লৈ অসমতো নতুন আদৰ্শ, নতুন মূল্যবোধ, নতুন বিষয় আৰু আংগিকৰ অবিস্মৰণীয় সাহিত্যৰ যি সৌধ নিৰ্মাণ কৰিলে, তাক যথাৰ্থতে বৈষ্ণৱ সাহিত্য বা নৱ-বৈষ্ণৱ সাহিত্য বুলিব পাৰি। আনহাতে এই জাগৰণ বা সাহিত্য-সৌধ নিৰ্মাণ প্ৰকল্পৰ কেন্দ্ৰীয় ব্যক্তিত্ব আছিল শংকৰদেৱ; সেইবাবে শংকৰদেৱৰ নামেৰে এই সময়ৰ সাহিত্যক শংকৰীযুগ, শংকৰোত্তৰ যুগ ৰূপেও গুণীজনে আলোচনা কৰিছে। অৱশ্যে নৱ-বৈষ্ণৱ যুগ আখ্যা দিয়াতো কোনো ক্ষতি নাই।

অসমীয়া 'বৈষ্ণৱ সাহিত্য' বুলিলে নৱ-বৈষ্ণৱ সাহিত্যৰ যুগটোকে বুজা যায়। ইয়াৰ কাৰণ স্পষ্ট। বৈষ্ণৱ ধৰ্ম আৰু নৱ-বৈষ্ণৱ ধৰ্মৰ মৌলিক পাৰ্থক্যই হ'ল ভক্তিৰ আদৰ্শ। প্ৰাক্-শংকৰী যুগৰ বৈষ্ণৱ ধৰ্ম আছিল— নৱ-বৈষ্ণৱ ধৰ্মৰ বিকাশ হোৱা নাছিল। মূৰ্তিপূজা, তান্ত্ৰিক আচাৰ, ব্ৰাহ্মণ্য পূজা ব্যৱস্থা আদি বৈষ্ণৱ ধৰ্মৰ (বিষ্ণু পূজা) লগতো সংযুক্ত আছিল। বৈষ্ণৱ ধৰ্মত বিষ্ণুৰ উপাসনাই প্ৰধান যদিও বিষ্ণুৰ লগতে অন্য দেৱতাও উপাসনা কৰা হৈছিল। শংকৰদেৱৰ নেতৃত্বত বিকাশ লাভ কৰা বৈষ্ণৱ ধৰ্মৰ নৱৰূপটিয়ে এক নতুন মূল্যবোধ আৰু ধৰ্মীয় তথা সামাজিক চেতনা দান কৰিলে। বিষ্ণু-কৃষ্ণ স্বয়ং ভগৱান, সকলো দেৱতা আৰু মায়া ভগৱন্ত কৃষ্ণৰ অধীন। উপাস্য কৃষ্ণৰ সৈতে আন দেৱতাক সমপৰ্যায়ৰ বুলি কোৱাজনে 'চৌৰাশী নৰক ভুঞ্জি পাপৰ যোনিত সিটো/অৱশ্যে হৈবেক উতপতি। আকৌ কৃষ্ণৰ লগত আন দেৱতা পূজা কৰা জনেই 'পৰম অধম মূঢ়মতি' অৰ্থাৎ একেশ্বৰবাদী ধৰ্মীয় দৰ্শন এটাই নতুনকৈ গা কৰিলে আৰু এই 'এজন পৰম ঈশ্বৰ' হ'ল— কৃষ্ণ; "কৃষ্ণ এক দেৱ দুখঃহাৰী/কাল মায়াদিৰো অধিকাৰী/কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ"— নতুন আদৰ্শত কৃষ্ণ উপাসনাৰ মৌলিক চৰিত্ৰয়ে সলনি হৈ পৰিল। এই উপাসনাৰ অধিকাৰ কেৱল ব্ৰাহ্মণৰ হাততে সীমাবদ্ধ নাথাকিল, ববং স্ত্ৰী-শূদ্ৰ, চণ্ডাল সকলোৰে বাবে সমঅধিকাৰেৰে মুকলি হ'ল। তাৰ বাবে বিশেষ কোনো অৰ্হতা নলগা হ'ল— 'কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।' এই ভক্তিয়েই জ্ঞানৰো সোপান— 'ভকতি কৰন্তে জানা আপুনি ওপজে জ্ঞান/যোগ চিন্তি মৰ কোন কাজে।' এই ভক্তিৰ পৰা ওপজা পৰম আদি মুক্তিৰো ওপৰত— সেয়ে মুক্তিও বাঞ্ছিত নহয়, ভক্তিয়েই আদি ভক্তিয়েই শেষ। শ্ৰৱণ-কীৰ্তনেই ভক্তিৰ সৰ্বোৎকৃষ্ট উপায়। এই নতুন আদৰ্শত প্ৰভু ভগৱন্তৰ চৰণত উপাসকে নিজকে হীনৰো হীন, নীচৰো নীচ ৰূপে, দাসৰো দাস ৰূপে জ্ঞান কৰি আতুৰ চিত্তে প্ৰাৰ্থনা কৰে, পৰম ঈশ্বৰৰ গুণনাম কীৰ্ত্তন কৰি। কাৰণ, এই অথিৰ সংসাৰৰ মায়াৰ বন্ধন ছিণ্ডি পৰম সত্যৰ সন্ধান পাবলৈ ভগৱন্তৰ কৃপাৰ বাহিৰে একো নাই। ভগৱন্ত 'নিজ যশ প্ৰিয়' কাৰণ এই নাম 'জগতৰে উপকাৰী।'

এই নামে যত পাপ সংহাৰিব পাৰে, 'ততেক পাতেক পাপ কৰিতে নপাৰে।' নৱ-বৈষ্ণৱ ধৰ্মত ভক্তিৰ সৰ্বাত্মক গুৰুত্বৰ বাবে নৱবৈষ্ণৱ ধৰ্মক যথাৰ্থতেই ভক্তিধৰ্ম বোলা হয়। গতিকে অসমীয়া বৈষ্ণৱ সাহিত্য বুলিলে নৱ-বৈষ্ণৱ সাহিত্যকেই বুজা যায়।

নৱ-বৈষ্ণৱ জাগৰণৰ সূচনা হৈছিল শংকৰদেৱৰ প্ৰজ্ঞা-বোধ-মেধা আৰু সমাজ-চেতনাৰ পৰা। সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ বিভিন্ন প্ৰান্তীয় সন্তসকলৰ ক্ষেত্ৰত যিদৰে কিছু তাৎক্ষণিক বা আৰ্থ-সামাজিক পৰিস্থিতিয়ে নতুন মূল্যবোধ ৰচনাৰ বাট কাটিছিল, শংকৰদেৱৰ ক্ষেত্ৰতো তেনে ঘটনাই ঘটিছিল। সামাজিক আৰু আৰ্থিকভাৱে প্ৰতিপত্তিশালী ভূঞা পৰিয়ালৰ শিৰোমণি সন্তান শংকৰদেৱৰ বাবে চৌদিশৰ সমাজখনৰ দু�ৰৱস্থাৰ ছবিখন উপলব্ধি কৰিবলৈ যিদৰে আছিল প্ৰজ্ঞা আৰু মানৱীয় সংবেদনশীলতা, একেদৰে আছিল শাস্ত্ৰীয় জ্ঞান আৰু প্ৰচলিত ব্যৱস্থাৰ বোধ। প্ৰশাসনিক ব্যৱস্থা আৰু ধৰ্মীয়-সামাজিক অনুশাসন-শৃংখলাৰ মাজত বিধ্বস্ত জনজীৱনৰ আৰ্থিক দৈন্য, দুৰ্বল মনৰ ক্ষোভ-হতাশা শংকৰদেৱে বুজিবলৈ চেষ্টা কৰিছিল— কাৰণ সেয়া তেওঁৰ কৰ্তব্য-দায়িত্ব; কাৰণ তেওঁ শিৰোমণি ভূঞা পৰিয়ালৰ সন্তান, ভাবীকালৰ দিশ নিৰ্ণয় কৰোঁতা।

শংকৰদেৱে বুজি পাইছিল, ধৰ্মীয় সংস্কাৰৰ মাজেদি মানুহৰ চৈতন্য উদয় কৰি ল'ব পাৰিলে সামাজিক জীৱনৰ, প্ৰচলিত ব্যৱস্থাৰ পৰিৱৰ্তন উজু হ'ব। কিন্তু ব্ৰাহ্মণ্যবাদৰ আচাৰ সৰ্বস্বতা আৰু পিছপৰা সমাজৰ তান্ত্ৰিক ধাৰাৰ মাজতে বৰ্তি থকা নিৰক্ষৰ সাধাৰণ জনতাক বুজোৱা ইমান সহজ কাম নহয়। সমস্ত ধৰ্মীয় শৃংখলা ব্ৰাহ্মণ্যধৰ্মী সংস্কৃত শাস্ত্ৰৰ মাজত সোমাই আছিল আৰু সমাজ বাস্তৱতাই এমুঠি পুৰোহিত আৰু উচ্চ শ্ৰেণীৰ লোকৰ হাততেই এই সংস্কৃত জ্ঞান, নীতি, আইন ৰক্ষাৰ ভাৰ দিছিল। শংকৰদেৱে পোন প্ৰথমে এই বৃত্ত ভাঙিবলৈ যিটো পন্থা হাতত ল'লে, তাতেই সূচনা হ'ল ভক্তি সাহিত্যৰ, বৈষ্ণৱ সাহিত্যৰ। তেওঁ সংস্কৃত গ্ৰন্থৰ মাজত ইমান দিনে সাধাৰণজনৰ বাবে 'সৱগৰ তৰা' হৈ থকা জ্ঞান জনতাৰ মুখৰ ভাষালৈ ভাঙিলে— সহজ-সৱল আৰু সাধুকথাৰ কথকৰ দৰে, কাব্যৰ মনোগ্ৰাহী ছন্দৰ ঢৌ তুলি। নিৰক্ষৰ হাজাৰ জনতাৰ বাবে এয়া পাঠৰ বস্তু নহয়, এয়া সংগীত। এয়া কীৰ্ত্তন কৰা হ'ল— হাজাৰজনে শুনিলে।

শংকৰদেৱৰ সমগ্ৰ জীৱনকাল ব্যাপ্তি শংকৰদেৱৰ চৌপাশে যিমানবোৰ মানুহ গোট খালে আৰু সমাজ গঢ়ি তুলিলে তাৰ মাজতে এনে বহুজন আছিল যি শংকৰদেৱৰ কৰ্মযজ্ঞক হাতে কামে চিন্তা-চেতনাৰে সহযোগ কৰিবলৈ সমৰ্থ। তেওঁলোকৰ সংস্কৃত ভাষাৰ জ্ঞান আছিল আৰু লিখাৰ দক্ষতা আছিল। শংকৰদেৱক কেন্দ্ৰ কৰি এনেদৰেই এদল কবিৰ সৃষ্টি হ'ল আৰু সৃষ্টি হ'ল মনোৰম অসমীয়া বৈষ্ণৱ সাহিত্য।

অসমীয়া বৈষ্ণৱ সাহিত্য যিদৰে বিশাল তাৰ ৰূপো সেইদৰে বিচিত্ৰ আৰু বৰ্ণাঢ্য। *মহাভাৰত-ৰামায়ণ, ভাগৱত* আৰু অন্যান্য পুৰাণাদি গ্ৰন্থৰ অনুবাদ-অনুসৃষ্টিৰ উপৰি নৱ-বৈষ্ণৱ কবিসকলে কাব্যসৃষ্টিত অবিস্মৰণীয় সৃজনশীলতাৰো পৰিচয় দিছিল। অসমীয়া ভক্তি সাহিত্যক ৰূপগতভাৱে প্ৰধানতঃ পাঁচটা ভাগত ভগাব পাৰি—

ভক্তিতত্ত্বমূলক ৰচনা, কাব্য, নাট, গীত আৰু চৰিত সাহিত্য। ইয়াৰে কেইটিমান দিশ, অর্থাৎ কাব্য, অংকীয়া নাট আৰু বৰগীত সম্পর্কে আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা হৈছে। তলত এই বিষয়ে থোৰতে আলোচনা কৰা হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শংকৰী যুগৰ সাহিত্যৰাজিক প্রধানতঃ কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

.....

প্রশ্ন নং ২ ঃ অসমত নৱ-বৈষ্ণৱ জাগৰণৰ সূচনা কেনেদৰে হৈছিল?

.....

১০.৩.২ কাব্য

বৈষ্ণৱ সাহিত্যৰ বিশাল পৰিক্রমাত কাব্যৰ সৃষ্টি উল্লেখযোগ্য। কাব্যসমূহত কাহিনী উপস্থাপন কৰা হৈছে। কাহিনীৰ ভিতৰৰ বিচিত্র চৰিত্রৰ আচৰণ, সংঘাত আৰু কথোপকথনৰ মাজেৰে 'ধর্মৰ জয়-অধর্মৰ পৰাজয়' প্রকাশ কৰা হৈছে। ভক্ত চৰিত্রৰ নিষ্কাম ভক্তিৰ আৱেগসিক্ত আকুল ভঙ্গি আৰু ঈশ্বৰৰ কৰুণাৰ বিপৰীতে অভক্তৰ আত্মৰম্ভিতা দমন কাব্যসমূহৰ কেন্দ্রীয় বিষয়বস্তু। আনহাতে সাধাৰণ ডাল-দৰিদ্র, চাণ্ডালৰ দৰে তথাকথিত নীচ আৰু নাৰী চৰিত্রও ভক্তিৰ বলত প্রবল নৈতিক বলে বলৱান হোৱাৰ বিপৰীতে ব্রাহ্মণ, ৰজা, ঋষিৰ দৰে শক্তি আৰু সন্মান-মর্যাদাৰ উচ্চ শিখৰত থকা চৰিত্রৰো দুর্বলতা কাব্যৰ কাহিনীত পৰিলক্ষিত হয়।

কৃষ্ণৰ লীলা বৈচিত্র্য (সৃষ্টি, স্থিতি, প্রলয়ৰ উপৰি মানৰী লীলা) কাব্য সাহিত্যৰ অন্যতম উল্লেখযোগ্য বিষয়। কাব্যসমূহ আখ্যানপ্রধান হোৱাৰ বাবে ইয়াত প্রতিভাবান বৈষ্ণৱ কবিৰ হাতত অপূর্ব সৃজনশীলতাৰ পৰশ পৰিছে। নন্দনতাত্ত্বিক দিশেৰেও কাব্যৰ মাজত কবিসকলৰ সাফল্য পৰিলক্ষিত হয়। ৰসৰ দিশৰ পৰা ভক্তিৰসক তুলি ধৰাই কবিসকলৰ উদ্দেশ্য যদিও কাহিনী কথনৰ মাজত চৰিত্রৰ ক্রিয়াশীলতা আৰু বর্ণনাৰ মাজত অন্য ৰসৰ আকস্মিক উদ্‌ঘাটনে চমকিত কৰিব পাৰে।

১০.৩.৩ অংকীয়া নাট

শংকৰদেৱ অসমীয়া নাট্যসাহিত্যৰো জনক। *চিহ্নযাত্রা* নামৰ সংলাপবিহীন; কিন্তু পটত অংকিত ছবি প্রদর্শন আৰু সংগীতৰ সহযোগত ভগৱন্তৰ বৈকুণ্ঠলীলা প্রদর্শনৰ মাজেদি নৱ-বৈষ্ণৱ ধর্মৰ বুকুতে অসমীয়া নাটকৰ সূচনা কৰিলে। *চিহ্নযাত্রা*ৰ উপৰি শংকৰদেৱে ছখন নাট ৰচনা কৰিছিল— ক্রমে *পত্নীপ্রসাদ, কালিদমন, কেলিগোপাল,*

ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু *ৰামবিজয়*। শংকৰদেৱৰ পিছতে মাধৱদেৱেও শিশু কৃষ্ণৰ দৈৱিক সত্তা আৰু মানৱ লীলাৰ অপূৰ্ব সম্বন্বয়েৰে নতুন আংগিকৰ কেইবাখনো নাট ৰচনা কৰে। *অৰ্জুন-ভঞ্জনৰ* বাহিৰে *চোৰধৰা, ভোজনবেহাৰ, ভূমিলেটোৱা, পিম্পৰা গুচোৱা* এইকেইখনক ঝুমুৰা বোলা হয়, যদিও শংকৰদেৱ-মাধৱদেৱ দুয়োজনে ৰচনা কৰা নাট্যশৈলীক 'অংকীয়া নাট' বোলা হয়।

অংকীয়া নাট সৃষ্টিত শংকৰদেৱে পৰম্পৰাগত থলুৱা লোকনাট্যধৰ্মী অনুষ্ঠান (যেনে পুতলানাচ, ওজা-পালি, ভাৰীগান, কুশান গান) আদিৰ সংমিশ্ৰণেৰে নতুন শৈলী এটাৰ আৰম্ভ কৰে। অংকীয়া নাটৰ প্ৰধান উপাদান চাৰিটা— গীত, শ্লোক, কথাসূত্ৰ আৰু সংলাপ। ইয়াত গীতৰ প্ৰাধান্যই অধিক। গীতবোৰ স্বৰযুক্ত আৰু তালযুক্ত। শ্লোকসমূহ সংস্কৃতত ৰচিত। কথাসূত্ৰ আচলতে আধুনিক মঞ্চ নিৰ্দেশনাৰ অনুৰূপ। সংলাপসমূহ নাটকীয় চৰিত্ৰৰ বচন।

অংকীয়া নাটৰ প্ৰধান বৈশিষ্ট্য হ'ল— গীতিধৰ্মিতা। চৰিত্ৰৰ প্ৰৱেশ-প্ৰস্থান। যুদ্ধ-বিলাপ-নৃত্য সকলো গীতৰ মাজেৰেই সম্পূৰ্ণ হয়। তদুপৰি গীতবোৰৰ মাজতেই নাটৰ কাহিনীটোও সম্পূৰ্ণকৈ পাব পাৰি। অংকীয়া নাটৰ গীতবোৰ প্ৰধানতঃ তিনিটা ভাগত ভগাব পাৰি— ভটিমা (ভক্তি প্ৰধান), কাহিনীৰ মাজৰ প্ৰবেশ-প্ৰস্থান তথা কাহিনীৰ অন্তৰ্গত প্ৰাসঙ্গিক গীত আৰু পয়াৰ বা বিলাপ।

অংকীয়া নাটত ব্যৱহৃত শ্লোকসমূহ অংকীয়া নাটৰ বিশেষত্বজ্ঞাপক। শ্লোকবোৰক দেৱতাৰ বন্দনা আৰু নাটকীয় পৰিস্থিতিজ্ঞাপক শ্লোক-- এই দুটা ভাগত ভগাব পাৰি। সূত্ৰধাৰ অংকীয়া নাটৰ অন্য এক বিশেষত্ব। সূত্ৰধাৰ আচলতে অংকীয়া নাটৰ কেন্দ্ৰীয় পৰিচালক। এওঁ নৃত্যকাৰ, কাহিনীৰ কথক, এওঁ অভিনয়ৰ মাংগলিক উদ্দেশ্যৰ ৰূপকাৰ, গায়ক, পৰিস্থিতি-ব্যাখ্যাকাৰী। সূত্ৰধাৰে আৰম্ভণিতে নান্দীশ্লোক আবৃত্তিৰে নাটৰ শুভাৰম্ভ কৰে, তাৰ পিচত কোন চৰিত্ৰই কিদৰে প্ৰবেশ কৰিব তাৰ নিৰ্দেশনা দিয়ে, মঞ্চত অভিনয় কৰিব নোৱাৰা ঘটনাংশ দৰ্শক-পাঠকক বুজায় দিয়ে আৰু শেষত মুক্তি মংগল ভটিমা গায়।

অংকীয়া নাটৰ ভাষা ব্ৰজাৱলী। শংকৰদেৱৰ নাটকেইখন ভগৱন্ত কৃষ্ণৰ (একমাত্ৰ *ৰামবিজয়* নাটতহে *ৰামায়ণৰ* ৰাম চৰিত্ৰ দাঙি ধৰা হৈছে) লীলা, ভক্ত-বাৎসল্য গুণ, ভক্তিৰ মহত্ত্ব দাঙি ধৰা হৈছে। আনহাতে মাধৱদেৱৰ নাটসমূহত শিশুকৃষ্ণৰ দুষ্টামি, মাতৃ যশোদাৰ ওচৰত কৰা ভেম-অভিমান আৰু এইবোৰ মানৱীয় শিশুৰ কাৰ্যৰ মাজতো পৰম ঐশ্বৰিকত্ব প্ৰকাশ কৰা হৈছে। নাটকেইখনত সংস্কৃত শ্লোকৰ প্ৰাধান্য তুলনামূলকভাৱে কম। গীতৰ সংখ্যা কিন্তু বেছি। শংকৰদেৱৰ নাটৰ লগত ভাবাদৰ্শ আৰু উদ্দেশ্য একে হ'লেও বিষয়বস্তু পৃথক। মাধৱদেৱৰ কেইবাখনো নাটৰ বিষয়বস্তুৰ উৎস বিল্বমঙ্গল বা লীলাশুকৰ *কৃষ্ণকৰ্ণামৃতৰ* শ্লোক। শংকৰোত্তৰ যুগৰ ভক্তি পৰম্পৰাটোত মাধৱদেৱৰ নাট্যশৈলী অনুসৰণ কৰা দেখা নাযায়। কিন্তু সত্ৰসমূহৰ মাজেদি

শংকৰদেৱৰ আদর্শৰে নাট ৰচনাৰ পৰম্পৰা এটা আজিও দুর্বল ৰূপত চলি আছে। কিন্তু শংকৰদেৱৰ সমসাময়িক কালৰ দুই এজন নাট্যকাৰৰ নাটৰ বাহিৰে বাকী আটাইবোৰেই দুর্বল অনুকৰণ মাত্র; ভাষাতো ব্রজাৱলীৰ বৈয়াকৰণিক শুদ্ধতা ৰক্ষা পৰা নাই আৰু সাহিত্যিক গুণৰ দিশৰ পৰা অনুজ্জ্বল।

মনকৰিবলগীয়া, অংকীয়া নাটৰ সংলাপৰ মাজেদিয়েই অসমীয়া গদ্য ৰচনাৰো সূচনা হৈছিল। কিন্তু বৃত্তগন্ধী লয়যুক্ত হোৱাৰ কাৰণে এই গদ্যক বিশুদ্ধ অসমীয়া গদ্যৰ নিদর্শন হিচাপে গ্রহণ কৰা নাযায়।

১০.৩.৪ ৰৰগীত

অসমীয়া ভক্তি সাহিত্যৰ এটা প্রধান ৰূপ গীত। গীতবোৰত তিনিটা ভাগত ভগাব পাৰি— ৰৰগীত, গীত আৰু ভটিমা। ইয়াৰে ৰৰগীত অংশটিহে আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত হৈছে।

ৰৰগীতবোৰ অসমৰ মার্গীয় সংগীত। কেৱল শংকৰদেৱ-মাধৱদেৱে ৰচনা কৰা এমুঠি গীতৰ থূলকহে ৰৰগীত বোলা হয়। ৰৰগীত নামটোৰ মাজতেই শ্রেষ্ঠত্ব, মহত্ত্ব, গুৰুকৃতিৰ প্রতি শ্রদ্ধাৰ ভাব সোমাই আছে। অংকীয়া নাটৰ গীতবোৰকো ৰৰগীত বোলা নহয়, অঙ্কৰ গীতহে বোলা হয়। শংকৰদেৱ-মাধৱদেৱৰ পিছত তেওঁলোকৰ শিষ্য-প্রশিষ্যসকলেও গীত ৰচনা কৰিছিল যদিও সেইবোৰক ৰৰগীত বোলা নহয়, সাধাৰণভাৱে গীতহে বোলা হয়।

ৰৰগীতৰ উচ্চমান সম্পর্কে মহেশ্বৰ নেওগে চাৰিটা দিশ দাঙি ধৰিছে— ভাষা, বিষয়বস্তুৰ সংযম, সুৰৰ গাম্ভীর্য আৰু চৈধ্য প্রসঙ্গত ইয়াৰ ব্যৱহাৰ। ৰৰগীতৰ ভাষা ব্রজাৱলী। ইয়াৰ বিষয়বস্তু গহীন ভক্তিমূলক। জটিল তত্ত্ব আৰু দার্শনিক অর্থও অত্যন্ত সংক্ষিপ্ত অথচ স্পষ্টভাৱে ৰৰগীতত ব্যক্ত কৰা হৈছে। দাস্য আৰু বাৎসল্য ভক্তিৰ সুৰময় ব্যঞ্জনা ৰৰগীতবোৰৰ ঘাই বৈশিষ্ট্য। এই প্রসংগত আলোচক নলিনীধৰ ভট্টাচার্যই কৈছে— "ইয়াৰ আদর্শাত্মক ৰূপ, পাৰলৌকিকতা, জীৱন-বিমুখিতা, অনাসক্তি আৰু আত্মত্যাগৰ মনোভাৱক আধুনিক বস্তুনিষ্ঠ মনে গ্রহণ কৰিবলৈ টান পাব পাৰে; কিন্তু ইয়াত যি সাংগীতিক মাধুর্য আছে, তাক উপেক্ষা কৰিব নোৱাৰে।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অংকীয়া নাটত ব্যৱহৃত শ্লোকসমূহ কেইটা ভাগত ভগাব পাৰি?

.....

.....

প্ৰশ্ন নং ৪ ঃ বৰগীতৰ উচ্চমান সম্পৰ্কে মহেশ্বৰ নেওগে কোৱা দিশ কেইটা কি কি?

.....

.....

১০.৩.৫ শংকৰদেৱ

১৪৪৯ চনত মহাপুৰুষ শংকৰদেৱে নগাঁৱৰ আলিপুখুৰী নামে ঠাইত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম আছিল কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যা। সৰুতে মাক-দেউতাকৰ মৃত্যু হোৱাত বুঢ়ীমাক খেৰসুতীয়ে তেওঁক তুলি-তালি ডাঙৰ-দীঘল কৰে আৰু পঢ়া-শুনা কৰাৰ বাবে মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিয়ে। শিশুকালৰেপৰা শংকৰদেৱে বহুতো অসাধাৰণ কাম কৰি সকলোকে চমক খুৱাইছিল। 'ক' ফলা শিকিয়েই তেওঁ "কৰতল কমল কমল দল নয়ন" গীতটি ৰচনা কৰি মেধাশক্তিৰ পৰিচয় দিছিল। দহ বছৰ গুৰু-গৃহ মহেন্দ্ৰ কন্দলীৰ টোলত অধ্যয়ন কৰে আৰু শিক্ষা সাং কৰি ঘৰলৈ উভতি আহে। ২১ বছৰ বয়সতে তেওঁ সূর্যৱতীক বিয়া কৰায়। বিয়াৰ তিনি বছৰ পাছত এটি কন্যা (মনু) সন্তান জন্ম দিয়েই সূর্যৱতীৰ মৃত্যু ঘটে। ৩২ বছৰ বয়সত শংকৰদেৱে প্ৰথমবাৰৰ বাবে তীৰ্থ ভ্ৰমণলৈ ওলায়। বাৰ বছৰ কাল তীৰ্থ ভ্ৰমণ কৰি আহি তেওঁ বৈষ্ণৱ ধৰ্ম প্ৰচাৰত মনোযোগ দিয়ে। লগতে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে তেওঁ ভালেসংখ্যক গ্ৰন্থ ৰচনা কৰে। মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা গ্ৰন্থসমূহক তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি।

- *কাব্য ঃ* মহাপুৰুষ শংকৰদেৱে ছয়খন কাব্য ৰচনা কৰে। সেই কাব্যকেইখন হ'ল— (১) *হৰিশ্চন্দ্ৰ উপাখ্যান,* (২) *ৰুক্মিণী-হৰণ,* (৩) *বলিছলন,* (৪) *অমৃত-মথন,* (৫) *অজামিল উপাখ্যান* আৰু (৬) *কুৰুক্ষেত্ৰ*। *হৰিশ্চন্দ্ৰ উপাখ্যান* শংকৰদেৱৰ প্ৰথম ৰচনা। কাব্যখনিৰ মূল বিষয়বস্তু তেওঁ মাৰ্কণ্ডেয় ***পুৰাণ***ৰ পৰা গ্ৰহণ কৰিছে। ৰজা হৰিশ্চন্দ্ৰই গণেশক পূজাৰ আগভাগ নিদি বিষ্ণুক দিয়াৰ কাৰণে অশেষ কষ্ট ভোগ কৰিবলগীয়া হয় যদিও শেষত পৰমপদ লাভ কৰে। কবিয়ে বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু তেওঁক পূজিলে যে আন দেৱতাক পূজা কৰাৰ প্ৰয়োজন নাই সেই কথা ইয়াত বৰ্ণনা কৰিছে।

  ৰুক্মিণী-হৰণ কাব্যৰ কাহিনীভাগ শংকৰদেৱে *ভাগৱত* আৰু *হৰিবংশ পুৰাণ*ৰপৰা গ্ৰহণ কৰিছে। এই কাব্যত বিদৰ্ভৰ কুণ্ডিল নগৰৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীক শ্ৰীকৃষ্ণই হৰণ কৰি আনি বিবাহ কৰা কথাৰ বৰ্ণনা পোৱা যায়। *বলিছলন* কাব্যখনিৰ মূল হৈছে *ভাগৱত* আৰু *বামন পুৰাণ*। কাব্যখনিত বামনে তিনি পদ ভূমি স্থাপনেৰে কেনেদৰে বলি ৰজাক ছলনা কৰিছিল সেই কথা বৰ্ণনা কৰা হৈছে। কাব্যখনিত বলি ৰজাৰ মহত্ত্ব আকৰ্ষণীয় ৰূপত ফুটি উঠিছে। *অমৃত-মথন* কাব্যখনিৰ



পুৰাণ ঃ 'পুৰাণ' শব্দটোৰ অৰ্থ হ'ল আদিম আখ্যান বা কাহিনী— 'পুৰাণম্ আখ্যানম্'। অৰ্থাৎ পুৰাণ হ'ল প্ৰাচীন আখ্যান বিশিষ্ট একশ্ৰেণীৰ গ্ৰন্থ। এনে পুৰাণৰ সংখ্যা ওঠৰখন— *ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, বিষ্ণুপুৰাণ, শিৱ-পুৰাণ, নাৰদীয় পুৰাণ, ভাগৱত পুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, অগ্নিপুৰাণ, ভবিষ্য পুৰাণ, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, লিঙ্গ পুৰাণ, ৰাহ পুৰাণ, স্কন্ধ পুৰাণ, বামন পুৰাণ, কূৰ্ম পুৰাণ, মৎস্য পুৰাণ, গৰুড় পুৰাণ* আৰু *ব্ৰহ্মাণ্ড পুৰাণ।*

মূল হৈছে *ভাগৱত পুৰাণ*। ইয়াত দেৱতা আৰু অসুৰৰ মাজৰ যুদ্ধৰ কথা পোৱা যায়। অমৃতক কেন্দ্ৰ কৰি গঢ়ি উঠা কাহিনীভাগত বিষ্ণুৱে মোহিনী ৰূপ ধা�ৰণ কৰি কেনেকৈ অমৃতভাণ্ড হস্তগত কৰিছিল সেই কথা বৰ্ণিত হৈছে। *অজামিল উপাখ্যান*ত অজামিল নামৰ ভ্ৰষ্টাচাৰী ব্ৰাহ্মণ এজনে বিষ্ণুৰ নাম লৈ কেনেদৰে মৃত্যুৰপৰা ৰক্ষা পালে সেই কথা ব্যক্ত কৰিছে। এই কাব্যখনিৰো মূল হৈছে *ভাগৱত পুৰাণ*। *কুৰুক্ষেত্ৰ* মহাপুৰুষ শংকৰদেৱৰ শেষ বয়সৰ ৰচনা। কাব্যখনিৰ মূল কাহিনীভাগ *ভাগৱত পুৰাণ*ৰ দশম স্কন্ধৰপৰা লোৱা হৈছে। ইয়াত কৃষ্ণ আৰু যাদৱসকলৰ কুৰুক্ষেত্ৰলৈ যাত্ৰা, নন্দ-যশোদা আদি গোপসকলৰ লগত পুনৰ মিলন, নন্দ-যশোদাৰ কৰুণ বিদায় আদি ঘটনা বৰ্ণনা কৰা হৈছে।

- *ভক্তি প্ৰকাশক গ্ৰন্থ ঃ ভক্তিপ্ৰদীপ, ভক্তি ৰত্নাকৰ* আৰু *নিমি-নৱসিদ্ধ সংবাদ* মহাপুৰুষ শংকৰদেৱৰ ভক্তি প্ৰকাশক গ্ৰন্থ। *ভক্তিপ্ৰদীপ* মহাপুৰুষৰ আগ বয়সৰ ৰচনা। ইয়াৰ শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপথনৰ যোগেদি ভক্তিৰ তত্ত্বসমূহ ব্যাখ্যা কৰা হৈছে। *ভক্তি ৰত্নাকৰ* গ্ৰন্থখনি সংস্কৃত ভাষাত ৰচিত। পাছত ৰামচন্দ্ৰ ঠাকুৰে অসমীয়ালৈ অনুবাদ কৰে। এই গ্ৰন্থখনিতো ভাগৱত পুৰাণৰ প্ৰভাৱ আটাইতকৈ বেছি। *নিমি-নৱসিদ্ধ সংবাদ*ত নিমি নামৰ ৰজাৰ লগত ৯ গৰাকী সিদ্ধৰ কথোপকথনৰ যোগেদি আধ্যাত্মিক আৰু ভক্তিতত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। এই তিনিওখন কাব্যতে বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক কথাবোৰ সহজভাৱে প্ৰকাশ কৰিবলৈ চেষ্টা কৰা দেখা যায়।
- *অনুবাদমূলক গ্ৰন্থ ঃ* বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শ হৈছে *ভাগৱত* পুৰাণ। শংকৰদেৱে দ্বাদশ স্কন্ধ *ভাগৱত*ৰ সাতোটা স্কন্ধ অসমীয়ালৈ অনুবাদ কৰে। সেই স্কন্ধকেইটা হ'ল— প্ৰথম, দ্বিতীয়, ষষ্ঠ, অষ্টম, দশম, একাদশ আৰু দ্বাদশ। তদুপৰি মাধৱ কন্দলী বিৰচিত *ৰামায়ণ*ৰ আদি আৰু উত্তৰাকাণ্ড কিবা কাৰণত লোপ পোৱাত শংকৰদেৱে 'উত্তৰাকাণ্ড' আৰু মাধৱদেৱে 'আদিকাণ্ড' ৰচনা কৰে।
- *অংকীয়া নাট ঃ* মহাপুৰুষ শংকৰদেৱে মুঠতে ছয়খন অংকীয়া নাট ৰচনা কৰে— *পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণী-হৰণ, পাৰিজাত-হৰণ* আৰু *ৰামবিজয়*। শংকৰদেৱ অসমীয়া নাট্য সাহিত্যৰ জনক। তেওঁৰ আগতে কোনো প্ৰকাৰৰ নাটক ৰচনা হোৱাৰ প্ৰমাণ পোৱা নাযায়। উক্ত ছয়খন নাটকৰ উপৰি শংকৰদেৱে *চিহ্নযাত্ৰা* নামৰ নাট এখনি ৰচনা কৰি অভিনয় কৰাৰ কথা জানিব পাৰি। অৱশ্যে এই নাটখনিৰ কোনো লিপিবদ্ধ ৰূপ উদ্ধাৰ হোৱা নাই। শংকৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ লক্ষ্য ৰাখি *পাৰিজাত-হৰণ*ক শ্ৰেষ্ঠ বুলি ক'ব পাৰি। কিন্তু কাব্যিক গুণৰ ক্ষেত্ৰত *কেলিগোপাল* বেছি সমৃদ্ধ। সংগীতৰ প্ৰাচুৰ্য এই নাটখিনিৰ আন এটি বিশেষত্ব। *ৰামবিজয়* নাটক মূল ৰামায়ণৰ আদিকাণ্ড। নাটখনিত বীৰ ৰসৰ প্ৰাধান্য দেখা যায়। *ৰামবিজয়* আৰু *ৰুক্মিণী-হৰণ* নাট দুখনি

প্ৰায় একেটা সাঁচতে ঢলা যেন অনুমান হয়। কথাবস্তুৰ বিকাশত দুয়োখন নাটকৰ সাদৃশ্য মন কৰিবলগীয়া। *ৰুক্মিণী-হৰণ* নাটখনি শৃংগাৰ ৰসাত্মক যদিও বীৰ আৰু হাস্যৰসেও স্থান লাভ কৰিছে। *কালিদমন* আৰু *পত্নীপ্ৰসাদ*ৰ বিষয়বস্তু *ভাগৱতৰ* দশম স্কন্ধৰ পৰা সংগ্ৰহ কৰা। *কালিদমনত* বীৰ আৰু অদ্ভুত আৰু *পত্নীপ্ৰসাদত* শান্ত ৰসৰ সমাবেশ ঘটিছে।

- *গীত ঃ* মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা বিৰচিত গীতসমূহৰ ভিতৰত ভটিমা, বৰগীত আৰু টোটয় বা চপয় উল্লেখযোগ্য। ভটিমাসমূহ প্ৰশস্তি বা গুণ-গৰিমা প্ৰকাশক গীত। ভাট নামৰ গায়কৰ মুখত দিয়া ভক্তিমূলক গীতপদকে ভটিমা বোলা হৈছে। মহাপুৰুষজনাই তিনি প্ৰকাৰৰ ভটিমাৰ প্ৰৱৰ্তন কৰে— নাট-ভটিমা, দেৱ-ভটিমা আৰু ৰাজ-ভটিমা। তাৰ লগতে পৰৱৰ্তীকালত মাধৱদেৱে গুৰু-ভটিমা সংযোগ কৰি চাৰি শ্ৰেণীৰ ভটিমাৰ সৃষ্টি কৰে।

  'বৰগীত' মহাপুৰুষজনাৰ অন্যতম অভিনৱ অৱদান। বৰগীত নামকৰণ অৱশ্যে তেওঁ কৰা নাই, পৰৱৰ্তী বৈষ্ণৱ ভক্তইহে মহাপুৰুষ দুজনাই ৰচনা কৰা মহত্ত্বপূৰ্ণ গীতসমূহক উক্ত আখ্যা দিছে। উল্লেখযোগ্য যে শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা গীতখিনিকহে কেৱল 'বৰগীত' বুলি কোৱা হয়। বৰগীতসমূহক বাণীকান্ত কাকতিয়ে Noble Numbers, কালিৰাম মেধিয়ে Song Celestial আৰু দেবেন্দ্ৰনাথ বেজবৰুৱাই Holy Song আখ্যা দিছে। শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি ফুৰোঁতে যেতিয়া বদৰিকাশ্ৰমত উপস্থিত হয় তেতিয়া তেওঁ হেনো 'মন মেৰি ৰাম চৰণেহি লাগু' —এই বৰগীতটি ৰচনা কৰে। মহাপুৰুষে প্ৰায় বাৰ কুৰি বৰগীত ৰচনা কৰিছিল আৰু সেইবোৰ এখন পুথিত সন্নিৱিষ্ট আছিল। কমলা বায়ন নামৰ এজন ভকতে গীতবোৰ আওৰাবলৈ নিওঁতে জুইত পুৰি সকলো নষ্ট হয়। ডেৰকুৰিমানহে ভকতৰ মুখত ৰ'ল। মনৰ বেজাৰতে মহাপুৰুষে আৰু গীত ৰচনা নকৰি তেওঁৰ শিষ্য মাধৱদেৱক ৰচনা কৰিবলৈ কয়। এই কাৰণেই মাধৱদেৱতকৈ শংকৰদেৱৰ দ্বাৰা ৰচিত বৰগীতৰ সংখ্যা কম। বৰ্তমান শংকৰদেৱে ৰচনা কৰা ৩৪ টা বৰগীতহে পোৱা যায়। 'টোটয়' সংস্কৃত 'তোটক' শব্দৰ পৰা আহিছে। সংস্কৃতৰ তোটক ছন্দৰ আৰ্হিত ৰচনা কৰা বাবে ইয়াৰ নাম টোটয়। ই বিষ্ণুৰ মহিমা প্ৰকাশক একশ্ৰেণীৰ গীত। 'মধু-দানৱ-দাৰণ-দেৱ-বৰং' শংকৰদেৱৰ দ্বাৰা ৰচিত এটি উল্লেখযোগ্য টোটয়।

- *নাম প্ৰসংগমূলক গ্ৰন্থ ঃ কীৰ্ত্তন* আৰু *গুণমালা* শংকৰদেৱৰ নাম-প্ৰসংগমূলক গ্ৰন্থৰ ভিতৰত উল্লেখযোগ্য। শংকৰদেৱে অসমত যি নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল *কীৰ্ত্তন* আছিল তাৰ মুখপত্ৰ স্বৰূপ। *কীৰ্ত্তন* মহাপুৰুষজনাৰ কবি প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। উত্তৰ ভাৰতত তুলসী দাসৰ *ৰামচৰিত মানসৰ* যি আদৰ, যি জনপ্ৰিয়তা; অসমত *কীৰ্ত্তনৰ* তেনে আদৰ, তেনে জনপ্ৰিয়তা আছে। *কীৰ্ত্তনত* মুঠতে ২৭ টা

স্বয়ং সম্পূর্ণ কাহিনী আছে। প্রতিটো কাহিনীৰ যোগেদি শ্রীকৃষ্ণৰ শ্রেষ্ঠত্ব তথা ভক্তিৰ মাহাত্ম্য প্রকাশ কৰা হৈছে। ন-বিধ ভক্তিৰ ভিতৰত 'শ্রৱণ' আৰু 'কীর্ত্তন'ক এই গ্রন্থখনিত প্রাধান্য দিয়া হৈছে। শ্রৱণ-কীর্ত্তনৰ সুবিধাৰ কাৰণেই নাম প্রসঙ্গৰ উপযোগী কৰি ঘোষা আৰু পদসহ এই গ্রন্থখন ৰচনা কৰা হৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে— "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুর্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ *কীর্ত্তন* ৰচিত।"

গুণমালা ছয় আখৰীয়া কুসুমমালা ছন্দত ৰচনা কৰা সৰু গ্রন্থ। মুঠ পদ সংখ্যা ৩৭৭। ব্যক্তিগতভাৱে বা অকলশৰীয়াকৈ ঈশ্বৰৰ লীলা বা গুণ স্মৰণ কৰাৰ সুবিধার্থে এই পুথিখনি ৰচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) শংকৰী যুগৰ সাহিত্যৰাজিক প্রধানতঃ তিনিটা ভাগত ভগাব পাৰি।

(খ) বৈষ্ণৱ সাহিত্যৰ অন্যতম লক্ষণ হ'ল ভক্তিৰস সৃষ্টি কৰা।

(গ) শংকৰদেৱে চাৰি প্রকাৰৰ ভটিমা ৰচনা কৰিছিল।

(ঘ) *কীর্ত্তনত* ন-বিধ ভক্তিৰ ভিতৰত শ্রৱণ আৰু কীর্ত্তনক প্রাধান্য দি ৰচনা কৰা হৈছে।

.....

১০.৩.৬ মাধৱদেৱ

শংকৰদেৱৰ দৰে মাধৱদেৱো বহুমুখী প্রতিভাৰ গৰাকী আছিল। তেওঁ একাধাৰে ধর্ম প্রচাৰক, কবি, নাট্যকাৰ আৰু গীতিকাৰ। শংকৰদেৱৰ দ্বাৰা অনুপ্রাণিত হৈ মাধৱদেৱেও বিভিন্ন প্রকাৰৰ সাহিত্য সৃষ্টি কৰি শংকৰী যুগটোক সমৃদ্ধ কৰি তোলাত অৰিহণা যোগাইছে। তলত তেওঁৰ ৰচনাৰাজিৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

- *আখ্যানমূলক ৰচনা ঃ* আখ্যানমূলক ৰচনাৰ ভিতৰত *ৰামায়ণৰ* 'আদিকাণ্ড' আৰু *ৰাজসূয় কাব্য* উল্লেখযোগ্য। মাধৱ কন্দলীৰ দ্বাৰা ৰচিত *ৰামায়ণৰ* আদিকাণ্ডটো কিবা কাৰণত লুপ্ত হোৱাত মাধৱদেৱে এই কাণ্ডটো ৰচনা কৰে। এই কাণ্ডটিত ৰাম-লক্ষ্মণৰ জন্ম বৃত্তান্ত আৰু শৈশৱৰ ঘটনা সংযোজিত হৈছে। মাধৱদেৱৰ কবিত্ব শক্তিৰ সম্যক পৰিচয় পোৱা যায় *ৰাজসূয় কাব্যত*। কাব্যখনি মহাভাৰতৰ *ৰাজসূয় যজ্ঞৰ* আধাৰত ৰচিত। দ্বাৰকা আৰু ইন্দ্রপ্রস্থ, শ্রীকৃষ্ণৰ ইন্দ্রপ্রস্থ যাত্রা, জৰাসন্ধ আৰু ভীমৰ যুদ্ধ, শিশুপালৰ গর্ববাক্য আদিৰ বর্ণনাত কবিয়ে অপূর্ব কাব্যিক সৌন্দর্য সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

➢ *তত্ত্বমূলক ৰচনা ঃ* মাধৱদেৱৰ তত্ত্বমূলক ৰচনাৰ ভিতৰত *জন্মৰহস্য, ভক্তি-ৰত্নাৱলী, নামঘোষা* আৰু *নামমালিকা* উল্লেখযোগ্য। শংকৰদেৱ কোচ বিহাৰত থাকোঁতে চিলাৰায় দেৱানৰ পত্নী ভুৱনেশ্বৰীয়ে ঈশ্বৰৰ উৎপত্তি, লীলা আৰু প্রলয়ৰ কথা থকা এখন শাস্ত্র ৰচনা কৰিবলৈ অনুৰোধ জনায়। পাছত শংকৰদেৱে পাটবাউসীলৈ আহি মাধৱদেৱৰ হতুৱাই তেনে এখন কাব্য ৰচনা কৰি ভুৱনেশ্বৰীলৈ পঠিয়ায়। সেই পুথিখনৰ নামেই হৈছে *জন্মৰহস্য*। পুথিখনিত সৃষ্টি আৰু প্রলয়ৰ বিৱৰণ দি হৰিৰ শ্রেষ্ঠত্ব দেখুৱাইছে।

মাধৱদেৱৰ অন্যতম শ্রেষ্ঠ ৰচনা *ভক্তি-ৰত্নাৱলী*। এই গ্রন্থখনি বৈষ্ণৱ ধর্মৰ চাৰিপুথিৰ অন্যতম। পুথিখনিৰ মূল লেখক বিষ্ণুপুৰী সন্ন্যাসী। মাধৱদেৱে এই পুথিখনি বৈষ্ণৱ ধর্মৰ উপযোগীকৈ অসমীয়া ভাষালৈ অনুবাদ কৰে। পুথিখনিত মুঠতে তেৰটা অধ্যায় আছে। প্রতিটো অধ্যায়ক কোৱা হৈছে 'বিৰোচন'। প্রতিটো বিৰোচনতে ভক্তিতত্ত্ব আৰু বিষ্ণুৰ শ্রেষ্ঠত্বৰ কথা বর্ণনা কৰা হৈছে।

মাধৱদেৱৰ শ্রেষ্ঠ ৰচনা *নামঘোষা*। এহেজাৰ ঘোষা থকা কাৰণে ইয়াক 'হেজাৰী ঘোষা' বুলিও কোৱা হয়। মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূর্ণ অভিব্যক্তি এই গ্রন্থখনত দেখা যায়। মাধৱদেৱৰ জীৱনৰ শেষৰ ফালৰ ৰচনা বাবে বাণীকান্ত কাকতিয়ে *নামঘোষাক* 'মহাপ্রস্থানিক গীত' বুলি আখ্যা দিছে। বাণীকান্ত কাকতিৰ মতে "নামঘোষাত তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্রৱহমান হৈছে— পুণ্যশ্লোক শংকৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ-ভক্তিৰ মাহাত্ম্য।"

সংস্কৃত ভাষাৰপৰা অনুবাদ কৰা মাধৱদেৱৰ আন এখনি তত্ত্বমূলক গ্রন্থ হৈছে *নামমালিকা*। কোচ ৰজাৰ বৃদ্ধ মন্ত্রী বিৰূপাক্ষ কাজীয়ে পুৰুষোত্তম গজপতিৰ *নামমালিকা* পুথিখনি মাধৱদেৱক ভাঙনি কৰিবলৈ অনুৰোধ কৰিছিল। মন্ত্রীৰ অনুৰোধক্রমে মাধৱদেৱ কোচ বিহাৰত থাকোঁতে *নামমালিকা* অসমীয়ালৈ অনুবাদ কৰে। পুথিখনিত নামৰ মাহাত্ম্য আৰু তাৰ ফলাগমৰ বিৱৰণ পোৱা যায়।

➢ *অংকীয়া নাট ঃ* শংকৰদেৱৰ দৰে মাধৱদেৱেও কেইবাখনো নাট ৰচনা কৰে। তেওঁ ৰচনা কৰা নাটকেইখন হ'ল— *চোৰধৰা, পিম্পৰা-গুচোৱা, অর্জুন-ভঞ্জন, ভূমি-লেটোৱা* আৰু *ভোজন বিহাৰ*। এই নাটকেইখনত বাল-গোপালৰ অর্থাৎ শিশু কৃষ্ণৰ বাল সুলভ দুষ্টালি, ভেম, অভিমান, চাতুৰি, চৌর্যক্রিয়া আদিৰ চিত্র ৰূপায়িত হৈছে। নাটকেইখনত শংকৰদেৱৰ নাটৰ দৰে একোটা পূর্ণ আখ্যান পোৱা নাযায়। কৃষ্ণৰ ল'ৰালিকালৰ একো একোটা মুহূর্তৰ ঘটনাক আমোদজনক বা কৌতুহলপূর্ণ পৰিস্থিতিৰ যোগেদি নাটকীয় ৰূপ দিয়া হৈছে। মানৱ শিশুৰ কার্যকলাপ আৰু ব্যৱহাৰ কৃষ্ণ চৰিত্রত আৰোপ কৰিছে যদিও কৃষ্ণৰ অলৌকিক আৰু ঐশ্বৰিক দিশটোৰ কথাও নাট্যকাৰে সোঁৱৰাই দিবলৈ পাহৰা নাই।

*অর্জুন-ভঞ্জন*ৰ বাহিৰে বাকীকেইখন নাটক 'ঝুমুৰা' বোলা হৈছে। পূৰ্ণাংগ কথাবস্তুৰ পৰিৱৰ্তে যেতিয়া ক্ষুদ্ৰ ঘটনা বা পৰিস্থিতিক লৈ ঠেক পৰিসৰৰ নাট ৰচনা কৰা হয়, তেতিয়া তেনে নাটক ঝুমুৰা বোলা হয়। *অর্জুন-ভঞ্জন*ৰ কথাবস্তু অলপ বহল। এটা আখ্যানৰ ওপৰত ভেটি কৰি ৰচনা কৰা হৈছে। সেই কাৰণে ইয়াক ঝুমুৰা বোলা নাই, নাট বুলিছে। বাৎসল্য ভাবৰ প্ৰকাশ আৰু কৌতুকপূৰ্ণ পৰিস্থিতিৰ বৰ্ণনাই মাধৱদেৱৰ নাটকেইখনিক সজীৱ আৰু জনপ্ৰিয় কৰি তুলিছে।

➢ *ৰৱগীত ঃ* গুৰু শংকৰদেৱৰ নিৰ্দেশক্ৰমে মাধৱদেৱে ৰৱগীত ৰচনা কৰে। মাধৱদেৱৰ দ্বাৰা বিৰচিত ৰৱগীতৰ সংখ্যা ১৫৭ টা। এই ৰৱগীতসমূহ ভক্তপ্ৰাণৰ মৰ্মস্পৰ্শী প্ৰকাশ। দাস্য আৰু বাৎসল্য— এই দুয়োটা ভাবৰেই ৰৱগীত তেওঁ ৰচনা কৰিছিল যদিও বাৎসল্য ভাবৰ গীত অধিক। মহাপুৰুষ শংকৰদেৱৰ ৰৱগীতসমূহত পৰমাৰ্থ আৰু বিৰক্তি ভাবৰ প্ৰাধান্য লক্ষ্য কৰা যায়। বিৰহৰ গীত দুই-এটা নথকা নহয়; কিন্তু সংখ্যাত কম। মাধৱদেৱৰ উপৰিউক্ত ভাবৰ গীত আছে যদিও শিশু কৃষ্ণৰ চুৰ-চাতুৰি, খেলন, নৃত্য, জাগৰণ আৰু চলনৰ গীতৰ সংখ্যা বেছি। এই প্ৰসঙ্গত বাণীকান্ত কাকতিয়ে কৈছে—

> শংকৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে সেই আটাইবোৰেই প্ৰাৰ্থনাসূচক। মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণভংগুৰ আৰু মায়াময়। হৰিভক্তি মোহাচ্ছন্ন জীৱন-সমুদ্ৰত ধ্ৰুৱতৰা, এয়ে নানা ভাব আৰু ভাষাত শংকৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য। মাধৱদেৱৰ ৰচিত গীত কেতবোৰত এই ভাবৰ পুনৰুক্তি আছে; কিন্তু তেওঁৰ বেছিভাগ গীততে শিশুকৃষ্ণৰ বাল্যকালৰ ৰংবিৰঙৰ চিত্ৰ ফুটি ওলাইছে। বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব। গীত, পদ, নাট সকলোতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশুচৰিত্ৰ সজীৱ কৰি তুলিছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৬ ঃ খালি ঠাই পূৰণ কৰক—

(ক) মাধৱদেৱে *ৰামায়ণ*ৰ ..... ৰচনা কৰিছিল।

(খ)মাধৱদেৱ প্ৰণীত অংকীয়া নাটকেইখনক ..... আখ্যা দিয়া হয়।

(গ) মাধৱদেৱৰ নাটসমূহৰ প্ৰধান চৰিত্ৰ .....।

(ঘ) মাধৱদেৱৰ ৰৱগীতসমূহত প্ৰকাশ পোৱা প্ৰধান ভাব দুটা হৈছে .....।

(ঙ) পুণ্যশ্লোক শংকৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য প্ৰকাশ পাইছে .....।



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাক্-শংকৰী যুগৰ পাছৰ যুগটোৱেই হৈছে শংকৰী যুগ। এই সময়ছোৱাত মহাপুৰুষ শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। সেইবাবে এই যুগটোক 'নৱ-বৈষ্ণৱ যুগ' বুলিও অভিহিত কৰা হয়।
- শংকৰদেৱে সাহিত্যৰ মাধ্যমেৰে ধৰ্ম প্ৰচাৰ কৰিছিল। সেইবাবে এই যুগত অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হৈ উঠে। যাৰ বাবে এই যুগটোক অসমীয়া সাহিত্যৰ 'স্বৰ্ণযুগ' বুলিও কোৱা হয়। এই যুগত দুই শ্ৰেণী সাহিত্যৰ সৃষ্টি হৈছিল— বৈষ্ণৱ সাহিত্য আৰু পাঁচালী সাহিত্য।
- শংকৰী যুগৰ সাহিত্যৰ পটভূমি, কাব্য, অংকীয়া নাট আৰু বৰগীত সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল। লগতে শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্যৰাজিৰ বিষয়েও কিছু কথা বহলাই আলোচনা কৰা হ'ল।



১০.৫ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১০.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শংকৰী যুগৰ সাহিত্যৰাজিক প্ৰধানতঃ দুটা প্ৰধান ভাগত ভগাব পাৰি, যথা— (ক) বৈষ্ণৱ সাহিত্য আৰু (খ) পাঁচালী সাহিত্য।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নৱ-বৈষ্ণৱ জাগৰণৰ সূচনা হৈছিল শংকৰদেৱৰ প্ৰজ্ঞা-বোধ-মেধা আৰু সমাজ-চেতনাৰ পৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অংকীয়া নাটত ব্যৱহৃত শ্লোকবোৰক — দেৱতাৰ বন্দনা আৰু নাটকীয় পৰিস্থিতিজ্ঞাপক শ্লোক— এই দুটা ভাগত ভগাব পাৰি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰৰগীতৰ উচ্চমান সম্পৰ্কে মহেশ্বৰ নেওগে চাৰিটা দিশ দাঙি ধৰিছে— ভাষা, বিষয়বস্তুৰ সংযম, সুৰৰ গাম্ভীৰ্য আৰু চৈধ্য প্ৰসঙ্গত ইয়াৰ ব্যৱহাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ ঘ) শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ক) আদিকাণ্ড খ) ঝুমুৰা গ) শিশুকৃষ্ণ ঘ) দাস্য আৰু বাৎসল্য ঙ) নামঘোষাত।



১০.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ *নামঘোষা* পুথিখনি কাৰ ৰচনা?

প্ৰশ্ন ২ ঃ নৱ-বৈষ্ণৱ সাহিত্য বুলিলে কি বুজে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

(ক) ৰৰগীত (খ) অংকীয়া নাট (গ) মাধৱদেৱ

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শংকৰী যুগৰ অসমীয়া সাহিত্যৰ পটভূমিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ শংকৰদেৱৰ অংকীয়া নাটকেইখনিৰ বিষয়ে এটি চমু পৰিচয় আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ শংকৰদেৱৰ সাহিত্যকৃতি সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ মাধৱদেৱৰ সাহিত্যকৃতি সম্পৰ্কে এটি আলচ যুগুত কৰক।

*** ***** ***